তেওঁলোকৰ কাব্যসমূহ ৰচনা কৰিছিল। সেই ছন্দসমূহৰ গঠন আৰু ৰূপ ভিন্ন ভিন্ন। তেনে কেইটিমান উল্লেখযোগ্য ছন্দ হ'ল — পদ বা পয়াৰ, ছবি, দুলড়ী লেচাৰী, কুসুমমালা, একাৱলী আৰু ঝুমুৰী। এই অধ্যায়টোত উল্লিখিত ছন্দসমূহৰ বিষয়ে বহলাই আলোচনা কৰা হ'ব। অধ্যায়টো অধ্যয়ন কৰি আপুনি এই ছন্দ কেইটাৰ গঠনৰীতি সম্পৰ্কে অৱগত হ'ব।

৬.৩ কেইটিমান নির্বাচিত ছন্দ

ইতিমধ্যে আমি ছন্দ মানে কি আৰু ইয়াৰ মূল উপাদানসমূহ তথা ছন্দ নিৰূপণৰ মাপকাঠিসমূহৰ বিষয়ে পূৰ্বৱৰ্তী অধ্যয়তে অধ্যয়ন কৰিলোঁ। এতিয়া আমি আমাৰ পাঠ্য বিষয়ৰ অন্তর্ভুক্ত কেইটিমান নির্বাচিত পু�ৰণি অসমীয়া ছন্দৰ বিষয়ে সেই মাপকাঠিসমূহৰ আলমতে আলোচনাত প্রবৃত্ত হম।

৬.৩.১ পদ বা পয়াৰ

'পদ' হ'ল পুৰণি অসমীয়া এক ছন্দ বিশেষ। সংস্কৃত ভাষাত যিকোনো ছন্দৰে কবিতা মাতিলে যেনেকৈ শ্লোক মাতিছে বুলি মন্তব্য কৰা হয় ঠিক তেনেদৰে অসমীয়াতো সংস্কৃতৰ আৰ্হিত ৰচনা কৰা ছন্দোবদ্ধ ৰচনাক বুজাবলৈ মূলত 'পদ' শব্দটো ব্যৱহাৰ কৰা হৈছিল। কিন্তু অসমীয়াৰ এক বিশেষ ছন্দসজ্জাকো প্রথমতে 'পদ' নামেৰে নামকৰণ কৰা হৈছিল যদিও পাছলৈ ইয়াক 'পয়াৰ' বুলি নতুনকৈ নামকৰণ কৰা হয়। এই ছন্দৰ মাত্রা সংখ্যা হ'ল — 28¼ মুঠ চাৰিটা পর্বৰে দুটা চৰণ গঠিত হয়। প্রতিটো চৰণৰ অক্ষৰ সংখ্যা 14, ইয়াৰে প্রথম পর্বত 8 আৰু দ্বিতীয় পর্বত 6 টা অক্ষৰ থাকে। প্রতিটো চৰণৰ প্রথম পর্বৰ পাছত অর্দ্ধযতি আৰু দ্বিতীয় পর্বৰ পাছত পূর্ণযতি পৰে। যথা—

।।। ।।। ।। ।। ।।।।
প্রথমে প্রণামো ব্রহ্ম : ১ ৰূপী স্নাতন : :¼¼
।। ।।।।। । ।। ।।।।
সর্ব অৱতাৰৰ কা : ১ ৰণ নাৰায়ণ : :¼¼

অর্থাৎ ইয়াৰ মাত্রা সংখ্যা হ'ল — 8ÙÂ6 Ô14 আৰু 8ÙÂ6Ô14, সর্বমুঠ — 28। শব্দৰ ওপৰত দিয়া (।) চিহ্নটোৰে মাত্রা নির্দেশ কৰা হয়।

৬.৩.২ দুলড়ী

পদৰ পাছতে থকা বা ব্যৱহৃত হোৱা আনটি প্রধান পুৰণি অসমীয়া ছন্দ হ'ল দুলড়ী। দুলড়ী ছন্দৰ মুঠ অক্ষৰ সংখ্যা— 40 টা। মুঠ দুটা চৰণত বিভক্ত আৰু পদ সংখ্যা 6টা। প্রতিটো চৰণৰ তিনিটাকৈ পদ থাকে। প্রতিটো পদৰ পাছতে অর্দ্ধযতি

।। ।। ।। ।। ।। 10
খানি তেক থাকি মিল : ¼বাই : : ¼¼
।।।।।। ।।8 ।। ।। ।। ।।8
বান্ধ বৰ সমা গম : ১ জানি বাহা সেহি সম : ১
।।। ।।। ।। ।।10
অসাৰ সংসাৰ সমু : ¼দায় : : ¼¼

এই ছন্দসজ্জাটি এবিধ ত্রিপদী ছন্দ বিশেষ আৰু আজিকালিও এই ছন্দৰ প্রচলন বহুল।

৬.৩.৪ লেচাৰী

লেচাৰী ছন্দটিও 6টা পদযুক্ত, দুটা চৰণ বিশিষ্ট ছন্দ। প্রতিটো চৰণত তিনিটাকৈ পদ থাকে আৰু প্রতিটো চৰণৰ মুঠ অক্ষৰ সংখ্যা 34টা। প্রথম, দ্বিতীয়, চতুর্থ আৰু পঞ্চম পদত 10টাকৈ অক্ষৰ থাকে, ইয়াৰে প্রথম 6টাৰ পাছত লঘুযতি পৰে আৰু 10টা পাছত অর্দ্ধযতি পৰে। দ্বিতীয় আৰু ষষ্ঠ পদত 14টা অক্ষৰ থাকে, ইয়াৰে 6টা অক্ষৰৰ পাছত লঘুযতি আৰু শেষত পূর্ণযতি পৰে। যথা—

6 4 6 4
কৃষ্ণ একদেৱ¼দুঃখহাৰী ১ কালমায়াদিৰো¼অধিকাৰী ১
6 8
কৃষ্ণবিনে শ্রেষ্ঠ । দেৱ নাহি নাহি আৰ ¼¼
6 4 6 4
সৃষ্টি স্থিতি অন্ত । কাৰী দেৱ ১ তান্ত বিনে আন । নাহি কেৱ ১
6 8
জানিবা বিষ্ণুযে । সমস্ত জগতে সাৰ ¼¼

উল্লেখযোগ্য যে লেচাৰী হ'ল পুৰণি অসমীয়া ছন্দৰ আটাইতকৈ দীঘল আৰু লেহেতীয়া ছন্দ। শংকৰদেৱ আৰু তেওঁৰ পূর্বৰ কবিসকলৰ ৰচনাত এই ছন্দসজা দেখিবলৈ পোৱা নাযায়। মাধৱদেৱৰ 'নামঘোষা' তথা তাৰ পৰৱর্তী ৰচনাৰাজিতহে এই ছন্দসজ্জাই ঠাই পাইছে। ইয়ো এবিধ ত্রিপদী ছন্দ বিশেষ।

৬.৩.৫ একাৱলী

একাৱলী হ'ল এবিধ দ্বিপদী ছন্দ বিশেষ। একোটা চৰণত মুঠ 11টা অক্ষৰ থাকে আৰু এটা শাৰীত লিখা হয়। ইয়াৰ এটা স্তৱক সম্পূর্ণ হয় চাৰিটা চৰণত। অর্থাৎ মুঠ অক্ষৰ সংখ্যা 44টা। প্রতিটো চৰণত দুটাকৈ পর্ব থাকে, প্রথম পর্বটো 6টা অক্ষৰেৰে আৰু দ্বিতীয় পর্বটো 5টা অক্ষৰেৰে গঠিত। যেনে—

এক অপূর্ব গীতিময়তাৰে পাঠক শ্রোতাক আহ্লাদিত কৰে। যেনে—

নমো নাৰায়ণ ।ং 6
সংসাৰ কাৰণ ।ং 6
ভকত তাৰণ ।ং 6
তোমাৰ চৰণ।। 6
ÕÃ24

অর্থাৎ এই বিধ ছন্দত মুঠ অক্ষৰৰ সংখ্যা 24টা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ লেচাৰী হ'ল পুৰণি অসমীয়া ছন্দৰ আটাইতকৈ দীঘল আৰু লেহেতীয়া ছন্দ — কথাষাৰ শুদ্ধ নে অশুদ্ধ।

.....

প্রশ্ন নং ৪ ঃ কুসুমমালা ছন্দৰ প্রৰ্বতক মাধৱদেৱ — কথাষাৰ শুদ্ধ নে অশুদ্ধ।

.....



৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পুৰণি অসমীয়া কবিতাৰ কেইটিমান উল্লেখযোগ্য ছন্দ হ'ল — পদ বা পয়াৰ, ছবি, দুলড়ী, লেচাৰী, কুসুমমালা, একাৱলী আৰু ঝুমুৰী।
- অসমীয়াৰ এক বিশেষ ছন্দসজ্জাকো প্রথমতে 'পদ' নামেৰে নামকৰণ কৰা হৈছিল যদিও পাছলৈ ইয়াক 'পয়াৰ' বুলি নতুনকৈ নামকৰণ কৰা হয়। এই ছন্দৰ মাত্রা সংখ্যা হ'ল — 28¼ মুঠ চাৰিটা পর্বৰে দুটা চৰণ গঠিত হয়। প্রতিটো চৰণৰ অক্ষৰ সংখ্যা 14, ইয়াৰে প্রথম পর্বত 8 আৰু দ্বিতীয় পর্বত 6 টা অক্ষৰ থাকে।
- এটি প্রধান পুৰণি অসমীয়া ত্রিপদী ছন্দ হ'ল দুলড়ী। দুলড়ী ছন্দৰ মুঠ অক্ষৰ সংখ্যা— 40 টা। মুঠ দুটা চৰণ, চাৰিটা স্তৱকত বিভক্ত আৰু পদ সংখ্যা 6টা। প্রতিটো চৰণৰ তিনিটাকৈ পদ থাকে। প্রতিটো পদৰ পাছতে অর্দ্ধযতি পৰে, অক্ষৰ সংখ্যা সমান নহয়। প্রণিধানযোগ্য যে বিহুগীত, বিয়ানাম, আইনাম আদিত মূলতঃ এই ছন্দসজ্জাই ব্যৱহৃত হৈছে।
- পুৰণি অসমীয়া ছন্দ ছবিক দীর্ঘ দুলড়ী বুলিও ক'ব পাৰি। ইয়াতো দুটা চৰণ, 6টা পদ আছে। দুটা চৰণত বিভক্ত এই ছন্দৰ প্রতিটো চৰণতে তিনিটাকৈ পদ থাকে। দুলড়ী আৰু ইয়াৰ প্রধান পার্থক্যটি হ'ল ইয়াৰ অক্ষৰৰ সংখ্যাত। ইয়াত মুঠ অক্ষৰ সংখ্যা হ'ল— 52টা।

8) শর্মা, মুকুন্দমাধৱ (1991); *ধ্বনি আৰু ৰসতত্ত্ব;* গুৱাহাটী ঃ বাণী প্রকাশন¼

9) শাস্ত্রী, মনোৰঞ্জন (2009); *সাহিত্য দর্শন;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

10) শর্মা, সোণাপতি দেৱ (2008); *অসমীয়া সাহিত্যৰ সাজ;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৬.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ 28 টা।

২ নং প্রশ্নৰ উত্তৰ ঃ 40 টা।

৩ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৪ নং প্রশ্নৰ উত্তৰ ঃ অশুদ্ধ।

৬.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

(ক) পদ ছন্দত অৰ্দ্ধযতি আৰু পূর্ণযতি কত পৰে?

(খ) কোন ছন্দক গজগতি ছন্দও বোলে?

(গ) কুসুমমালা ছন্দৰ অক্ষৰৰ সংখ্যা কিমান?

(ঘ) ছবি ত্রিপদী ছন্দ বিশেষ হয়নে?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ চমুটোকা লিখক —

(ক) কুসুমমালা ছন্দ (খ) লেছাৰী (গ) ছবি

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ কেইটিমান পুৰণি অসমীয়া ছন্দ সম্পর্কে বহলাই আলোচনা কৰক।

প্রশ্ন ২ ঃ উদাহৰণসহ পদ, দুলড়ী আৰু একাৱলী ছন্দৰ এটি তুলনামূলক অধ্যয়ন যুগুত কৰক।

*** ***** ***